# **REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-03-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
## **HEADLINES**

**Headlines (30-03-2024) 0900 Hrs.**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ আজি ৰাষ্ট্ৰপতি ভৱনত ভাৰতৰত্ন সন্মান প্ৰদান।

২। লোকসভা নিৰ্বাচন পিছতে ৰাজ্যত উমৈহতীয়া দেৱানী বিধি বলৱৎ হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

৩। ৰাজ্যত প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ আজি অন্তিম দিন।

৪। উত্তৰ-পূৰ্বাঞ্চলত আজিৰে পৰা বিজুলী-ঢেৰেকণিৰে ধুমুহা বৰষুণ হ'ব বুলি ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ আগজাননী।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি লক্ষ্ণৌত হ'বলগীয়া খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্ পঞ্জাব কিংছৰ মুখামুখি।

0000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত ভাৰতৰত্ন সন্মানসমূহ প্ৰদান কৰিব। প্ৰাক্তন প্ৰধানমন্ত্ৰী চৌধাৰী চৰণ সিং আৰু পি ভি নৰসিংহ ৰাও, বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী কপুৰী ঠাকুৰ আৰু বিশিষ্ট বিজ্ঞানী এম এছ স্বামীনাথনক মৰণোত্তৰভাৱে ভাৰতৰত্ন সন্মানেৰে সন্মানিত কৰা হ'ব। প্ৰাক্তন উপ-প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা এল কে আদৱানীকো দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান প্ৰদান কৰা হ'ব।

00000

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই লোকসভা নিৰ্বাচনৰ পিছতে অসমত উমৈহতীয়া দেৱানী বিধি বলবৎ হ'ব বুলি প্ৰকাশ কৰিছে। কালি বশিষ্ঠস্থিত ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত নিৰ্বাচনী অগ্ৰগতি সন্দৰ্ভত দলৰ শীৰ্ষ বিষয়ববীয়াৰ সৈতে বৈঠকত মিলিত হোৱাৰ পিছতে সাংবাদিকেৰে হোৱা কথা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে এই মন্তব্য কৰে। তেওঁ কয় যে নিৰ্বাচনৰ পূৰ্বে বহু ৰাজনৈতিক নেতাই ধৰ্মীয় সংখ্যালঘু অঞ্চলত বহুবিবাহৰ কথা কৈ আহিছে। কিন্তু নিৰ্বাচনৰ পিছত এই মন্তব্য কৰিব নোৱাৰিব। কিয়নো নিৰ্বাচনৰ পিছতে ৰাজ্য চৰকাৰে উমৈহতীয়া দেৱানী বিধি বলবৎ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই বিধিৰ সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰৰ সৈতে কিছু আলোচনা কৰি ৰূপৰেখা

প্ৰস্তুত কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। উলেখ্য যে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অসম ভ্ৰমণক লৈ কালি মুখ্যমন্ত্ৰীগৰাকীদলৰ শীৰ্ষ নেতৃত্বৰ সৈতে বিশেষ বৈঠকত মিলিত হৈছিল। এই বৈঠকত ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতা, সাংসদ কুইন ওজা, পবিত্ৰ মাৰ্ঘেৰিটা, মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীকে ধৰি দলৰ আন আন শীৰ্ষ বিষয়া উপস্থিত থাকে।

০০০০০

ৰাজ্যত প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ সময়সীমা আজি অন্ত পৰিব। এই পৰ্যায়ত যোৰহাট, লখিমপুৰ, ডিব্ৰুগড়, শোণিতপুৰ আৰু কাজিৰঙাত ভোটগ্ৰহণ কৰা হ'ব। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ৩৬ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ বিবেচিত হৈছে। বিজেপিয়ে ৫খন আসনৰ আটাইকেইখনতে প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে কংগ্ৰেছে ৪খন আসনত প্ৰাৰ্থী থিয় কৰোৱাইছে আৰু ডিব্ৰুগড়ত অসম জাতীয় পৰিষদৰ প্ৰাৰ্থীক সমৰ্থন আগবঢ়াইছে। এই নিৰ্বাচনত বিজেপিৰ হৈ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, সাংসদ প্ৰদান বৰুৱা, কামাখ্যা প্ৰসাদ তাছা আৰু তপন কুমাৰ গগৈ, প্ৰাক্তন মন্ত্ৰী তথা বিধায়ক ৰঞ্জিত কুমাৰ দত্তই এই পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰিছে। কংগ্ৰেছৰ সাংসদ গৌৰৱ গগৈ আৰু প্ৰাক্তন বিধায়িকা ৰ'জলিনা তিৰ্কীয়েও মনোনয়ন দাখিল কৰিছে। ডিব্ৰুগড় সমষ্টিত সৰ্বানন্দ সোণোৱালৰ বিৰুদ্ধে অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈ অৱতীৰ্ণ হৈছে। ইফালে, ৰাজ্যত দ্বিতীয় পৰ্যায়ৰ বাবেও মনোনয়ন পত্ৰ দাখিলৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। শিলচৰ আৰু নগাঁৱকে ধৰি পাঁচটা সমষ্টিত দ্বিতীয় পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। ০০০০০

০০০০০

লোকসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে সমষ্টিয়ে সমষ্টিয়ে ৰাজনৈতিক দলসমূহে ব্যাপক প্ৰচাৰ চলাইছে। বিশেষকৈ অহা ১৯ এপ্ৰিলত ৫টা সমষ্টিত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে ব্যাপক নিৰ্বাচনী প্ৰচাৰ চলায়। যোৰহাট লোকসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী গৌৰৱ গগৈয়ে কালি চৰাইদেউ জিলাৰ মাহমৰাত নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে। জিলাখনৰ আনকেইবাটাও স্থানত অনুষ্ঠিত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি কংগ্ৰেছ প্ৰাৰ্থীগৰাকীয়ে প্ৰচাৰ চলায়। দলীয় সমৰ্থকে শ্ৰীগগৈক মটৰচাইকেল সমদলেৰে আদৰি নিয়ে। কাজিৰঙা লোকসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী ৰ'জলীনা তিৰ্কীয়ে দলীয় কৰ্মীসকলক লগত লৈ কালি গোলাঘাটৰ মেৰাপানী, তৰাণি, ক'লাজান আদি অঞ্চলত ভোটাৰৰ ঘৰে ঘৰে গৈ নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ লগতে নামঘৰত গৈ আশীৰ্বাদ গ্ৰহণ কৰে। নগাঁও সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈও নগাঁও নগৰত নিৰ্বাচনী প্ৰচাৰ চলায়। ইপিনে শোণিতপুৰ লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী ৰঞ্জিৎ দত্তই ঢেকীয়াজুলিৰ বৰচলাত অনুষ্ঠিত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। এই সভাখনত মন্ত্ৰী অশোক সিংঘলো উপস্থিত থাকে। কাজিৰঙা সমষ্টিৰ বিজেপি প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাছাৰ হৈ মন্ত্ৰী অজন্তা নেওগে নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে দলীয় কৰ্মীক লগত লৈ ফৰকাটিং, আঠগাঁও, জামগুৰি, পুলিবৰ আদি কেইবাখনো গাঁও পঞ্চায়ত এলেকাত প্ৰচাৰ চলায়। নিৰ্বাচনী প্ৰচাৰ অভিযানৰ লগতে ভাৰতীয় জনতা পাৰ্টীৰ গোলাঘাট জিলা কাৰ্যালয়ত আয়োজিত অনুষ্ঠানত কংগ্ৰেছৰ শতাধিক নেতা-কৰ্মীয়ে বিজেপিত যোগদান কৰে। নগাঁও সমষ্টিৰ বিজেপি প্ৰাৰ্থী সুৰেশ বৰাৰ হৈ মন্ত্ৰী পীযূষ হাজৰিকাই ধিঙৰ খৈৰাবাৰী চৰত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে।

বিজেপি প্ৰাৰ্থী সুৰেশ বৰা উপস্থিত থকাত এই সভাখনত পাঁচ শতাধিক কংগ্ৰেছ নেতা-কৰ্মীয়ে বিজেপিত যোগদান কৰে। ইপিনে যোৰহাট লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী তপন গগৈয়ে মাজুলীৰ ১১টা স্থানত নিৰ্বাচনী প্ৰচাৰ চলায়। স্থানীয় বিধায়ক ভূবন গাম আৰু দলীয় কাৰ্যকৰ্তাসকলক লৈ শ্ৰীগগৈয়ে নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে। আঞ্চলিক দল অসম গণ পৰিষদ, বিজেপিৰ মিত্ৰদল ইউ পি পি এলৰ লগতে আম আদমী পাৰ্টীয়েও প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। তামুলপুৰত কালি বিজেপি, অগপ আৰু ইউ পি পি এলৰ এখন নিৰ্বাচনী সভা অনুষ্ঠিত হয়। সভাত সমাগত লোকসভা নিৰ্বাচনৰ বাবে তামুলপুৰ আৰু গোৰেশ্বৰ কমিটী গঠন কৰা হয়। সভাখনত দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী দিলীপ শইকীয়াক জয়যুক্ত কৰাৰ বাবে ৰণকৌশল যুগুত কৰা হয়। কোকৰাঝাৰ সমষ্টিৰ এন ডি এ সমৰ্থিত ইউ পি পি এলৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ হৈ অগপৰ সভাপতি অতুল বৰা আৰু কাৰ্যকৰী সভাপতি কেশৱ মহন্তই এখন নিৰ্বাচনী বৈঠকত অংশগ্ৰহণ কৰে। কোকৰাঝাৰ লোকসভা সমষ্টিৰ অন্তৰ্গত জিলা সমিতিখনত ৯খন বিধানসভা সমষ্টিৰ কমিটীৰ বিষয়ববীয়াৰ সৈতে শ্ৰীবৰা আৰু শ্ৰীমহন্তই বৈঠকত অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে  অহা ৬ এপ্ৰিলত লখিমপুৰত হ'বলগীয়া এখন নিৰ্বাচনী সভাত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অংশগ্ৰহণ কৰিব। এই উপলক্ষে কালি লখিমপুৰ জিলা বিজেপিৰ কাৰ্যালয়ত অনুষ্ঠিত এখন প্ৰস্তুতি সভাত ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতা, মন্ত্ৰী ডা০ ৰণোজ পেগু আৰু সাংসদ প্ৰধান বৰুৱাই অংশগ্ৰহণ কৰে।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালে আজি তিনিচুকীয়া জিলা ভ্ৰমণ কৰিব। শ্ৰী সোণোৱালে মৰাণ জাতীয়  মহিলা পৰিষদৰ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ লগতে তিনিচুকীয়াৰ বৰগুৰিত দ্বিতীয় বাৰ্ষিক শিশু ভাওনা প্ৰতিযোগিতাত উপস্থিত থাকিব। তেওঁ বৰগুৰিৰ যুৰিয়া নামঘৰত সেৱা গ্ৰহণ কৰিব। ০০০০

০০০০০

নৰ্থ-ইষ্ট ইণ্ডিয়া পেট্ৰ'লিয়াম ডিলাৰছ এছ'চিয়েছনে ৪৮ ঘণ্টীয়া পেট্ৰ'ল ডিপো বন্ধৰ আহ্বান সাময়িকভাৱে স্থগিত ৰখাৰ কথা ঘোষণা কৰিছে। যাৰ পৰিপ্ৰেক্ষিতত আজি আৰু কাইলৈ পেট্ৰ'ল ডিপোসমূহ খোলা থাকিব। আই অ' চি এল, এইচ পি চি এল আৰু বি পি চি এলৰ সৈতে হোৱা বৈঠকত বন্ধ স্থগিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। লগতে খুচুৰা বিক্ৰেতাসকলৰ কমিচনৰ বিষয়টোকলৈ আলোচনা কৰি থকা বুলি প্ৰকাশ কৰা হৈছে।

০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে উত্তৰ-পূৰ্বাঞ্চলত আজিৰে পৰা বিজুলী-ঢেৰেকণিৰে ধুমুহা বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। বতৰ বিজ্ঞান বিভাগে কৈছে যে, এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ আৰু মেঘালয়ৰ ঠাই বিশেষে ধাৰাষাৰ বৰষুণ আৰু তুষাৰপাত হ'ব পাৰে। ওড়িশা, পশ্চিমবংগৰ গংগা নৈৰ কাষৰীয়া অঞ্চল, ঝাৰখণ্ড আৰু বিহাৰৰ কেতবোৰ ঠাইত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হ'ব পাৰে বুলি বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে। এই সময়ছোৱাত জম্মু-কাশ্মীৰ, গিলগিট, মুজাফ্‌ফৰাবাদ, হিমাচলপ্ৰদেশ আৰু উত্তৰাখণ্ডৰ ঠাই বিশেষে বৰষুণ আৰু তুষাৰপাত হোৱাৰ সম্ভাৱনা আছে।

০০০০০

শিৱসাগৰ জিলাত শান্তি-শৃংখলা বিঘ্নিত হোৱাৰ আশংকা কৰি জিলা আয়ুক্ত আদিত্য বিক্রম যাদৱে জিলাখনত তৎকালে বলৱত হোৱাকৈ ভাৰতীয় ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৪৪ ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। এই নিষেধাজ্ঞা অনুসৰি অনুমতিবিহীন ভাবে বা বে-আইনী কাৰ্যকলাপৰ উদ্দেশ্যে ১০ জন বা তাতোধিক লোকৰ সমাবেশ নিষিদ্ধ কৰিছে। ইয়াৰ উপৰি এই নিৰ্দেশ অনুসৰি যিকোনো ব্যক্তি বা ব্যৱসায়িক প্রতিষ্ঠান, কাৰ্যালয় আদিৰ পৰা কোনো ধৰণৰ বৰঙণি সংগ্রহ তথা প্রদান আৰু এই ক্ষেত্রত ভীতি প্রদৰ্শন কৰা, প্রতিমূৰ্তি দাহ, পথ বন্ধ, অস্ত্র-শস্ত্র লগত লৈ ফুৰাৰ লগতে ৰাজহুৱা সম্পত্তি ধ্বংস কৰিব নোৱাৰিব। এই নিষেধাজ্ঞাসমূহ তৎকালিনভাৱে বলৱৎ হৈছে আৰু পৰৱৰ্তী ৬০ দিনলৈ বা পুনৰ আদেশ নিদিয়া পৰ্যন্ত বাহাল থাকিব। যিকোনো অনুষ্ঠান আয়োজন কৰাৰ ক্ষেত্রত এই নিষেধাজ্ঞাপ পৰা ৰেহাই পাবলৈ জিলা প্রশাসনৰ পৰা আগতীয়াকৈ অনুমতি ল'ব লাগিব। আৰক্ষী থানাসমূহৰ ভাৰপ্রাপ্ত বিষয়াসকলে এই ক্ষেত্রত চোকা দৃষ্টি ৰাখি শান্তিপূৰ্ণ পৰিস্থিতি বিঘ্নিত কৰা লোকৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্রহণ কৰিব। দণ্ডাধীশ, নিৰাপত্তাৰক্ষী বা সেনা বাহিনীৰ লোক, কৰ্তব্যৰত অসামৰিক বিষয়াসকল এই নিষেধাজ্ঞাৰ আওতাত নপৰিব। আদেশ অমান্য কৰাসকল ভাৰতীয় দণ্ডবিধি আইনৰ ১৪৪ ধাৰা অনুসৰি দণ্ডনীয় হ'ব।

০০০০০

অহা ১৯ এপ্রিলত অনুষ্ঠিত হ'বলগীয়া লখিমপুৰ লোকসভা সমষ্টিৰ নিৰ্বাচনৰ ভোটগ্রহণৰ বাবে ইয়াৰ অন্তৰ্গত শদিয়া বিধানসভা সমষ্টিৰ জনসাধাৰণৰ সুবিধাৰ প্রতি লক্ষ্য ৰাখি শদিয়া জিলা নিৰ্বাচন বিষয়াৰ কাৰ্যালয়ে মহকুমাধিপতি কাৰ্যালয়ত দুটা টেলিফোনৰ সৈতে নিৰ্বাচনী নিয়ন্ত্রণ কক্ষ মুকলি কৰিছে। নিৰ্বাচনী নিয়ন্ত্রণী কক্ষটোৰ টেলিফোন নম্বৰ দুটা হ'ল 037561950 আৰু 03612724230 নিৰ্বাচন সম্পৰ্কীয় যিকোনো তথ্য এই দুটা টেলিফোন নম্বৰ যোগে ৰাইজে জনাব বা জানিব পাৰিব বুলি জনসংযোগ বিভাগে প্রকাশ কৰিছে। ৰাইজৰ সুবিধাৰ প্রতি লক্ষ্য ৰাখি দিনটোৰ ২৪ ঘণ্টাই ফোন নম্বৰ মুকলি ৰখা হ'ব।

০০০০০

আই পি এল ক্রিকেট প্রতিযোগিতাৰ আজি লক্ষ্ণৌত হ'বলগীয়া খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ পঞ্জাব কিংছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত অনুষ্ঠিত হ'ব। আনহাতে, কলকাতা নাইট ৰাইদাৰ্ছে যোৱা নিশা বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক ৭ উইকেটত পৰাস্ত কৰে। খেলখনত বেংগালুৰুৱে প্রথমে বেট ধৰাৰ আমন্ত্রণ লাভ কৰি  বিৰাট কোহলীৰ ৮৩ ৰানৰ সহায়ত নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৮২ ৰান কৰে। প্রত্যুত্তৰত কলকাতা দলে ১৬ অভাৰ আৰু ৫টা বলত ৩টা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্য অতিক্রম কৰে। কলকাতাৰ হৈ ভেংকটেশ আয়াৰে ৩০টা বলত ৫০ ৰান কৰে। কলকাতা নাইট ৰাইদাৰ্ছে এইবাৰৰ আই পি এলৰ এতিয়ালৈ খেলা দুখন মেচত দুয়োখনতে জয়ী হৈছে। আনহাতে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে ৩খন খেলৰ এখনত জয়ী হৈছে। কলকাতা নাইট ৰাইদাৰ্ছ কালিৰ জয়ৰ সুবাদত প্রতিযোগিতাৰ পইণ্ট তালিকাৰ দ্বিতীয় স্থানলৈ উন্নীত হৈছে। ইয়াৰ বিপৰীতে ৰাজস্থান ৰয়েলছ তৃতীয় আৰু ছানৰাইজাৰ্ছ হায়দৰাবাদ চতুৰ্থ স্থানলৈ অৱনমিত হৈছে। চেন্নাই ছুপাৰ কিংছ পইণ্ট তালিকাৰ শীৰ্ষত আছে।

০০০০০

ভাৰতৰ এন চিক্কি ৰেড্ডী আৰু বি সুমীত কুমাৰে মাদ্রিদ স্পেইন মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ মিক্সড ডাবলছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। চিক্কি ৰেড্ডী আৰু সুমীত কুমাৰৰ যুটিটোৱে কালি কোৱাৰ্টাৰ ফাইনেলত ইন্দোনেছিয়াৰ লীছা অয়ু কুসুমাৱতী আৰু ৰেহান কুশ্বাৰজন্তোৰ যুটিটোক ২১-১৪, ১১-২১, ১৭-২১ গেমত পৰাস্ত কৰে। ভাৰতীয় যুটিটো আজি ছেমি ফাইনেলত ইন্দোনেছিয়াৰ ৰিন'ভ ৰিৱাল্ডী আৰু পিঠামেণ্টাৰীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। অৱশ্যে ভাৰতৰ আগশাৰীৰ খেলুৱৈ পি ভি সিন্ধু প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ পৰা বাহিৰ হৈছে। সিন্ধু কালি প্ৰতিযোগিতাৰ এখন খেলত থাইলেণ্ডৰ ছুপানিন্দা কাটেথঙৰ হাতত ২৬-২৪, ১৭-২১, ২০-২২ গেমত পৰাজিত হয়। ধ্ৰুৱ কপিলা আৰু এম আৰ অৰ্জুনৰ ভাৰতীয় পুৰুষ যুটিটো ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত মালয়েছিয়াৰ জি আৰ আৰিফ আৰু ৰয় কিং য়াপৰ হাতত ১৯-২১, ২৩-২১, ১৭-২১ গেমত পৰাভূত হয়। একেদৰে মহিলাৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ তনিশা ক্ৰাষ্টো আৰু অশ্বিনী পোনাপ্পাৰ যুটিটো টাইৱানৰ লি ছিয়া ছিন আৰু টেং চুনৰ হাতত ১৩-২১, ১৯-২১ গেমত পৰাভূত হয়। ০০০০০

০০০০০

গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত খেলো ইণ্ডিয়া অস্মিতা জুনিয়ৰ মহিলা সাঁতোৰ প্ৰতিযোগিতাৰ কালি প্ৰথম দিনা অসমে ৪টা সোণ, ৩টা ৰূপ আৰু সমসংখ্যক ব্ৰঞ্জৰ পদক জয় কৰিছে। বংগই ৬টা সোণ, ৭টা ৰূপ আৰু ৬টা ব্ৰঞ্জৰ পদক দখল কৰে। ছুইমিং ফেডাৰেচন অৱ ইণ্ডিয়া আৰু কেন্দ্ৰীয় চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ অন্তৰ্গত ছাইৰ উদ্যোগত অনুষ্ঠিত প্ৰতিযোগিতাখনত ১১০ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰে। আজি অন্তিম দিনা ১০টা ইভেণ্টৰ খেল অনুষ্ঠিত হ'ব।

০০০০০

কৰ্ণাটকত অনুষ্ঠিত ছাব জুনিয়ৰ ৰাষ্ট্ৰীয় ছেপাক টাক্ৰ' প্ৰতিযোগিতাত অসমৰ ল'ৰাৰ দলে চেম্পিয়নৰ সন্মান অৰ্জন কৰিছে। ফাইনেলত অসমে বিহাৰক পৰাস্ত কৰি খিতাপৰ অধিকাৰী হয়। ছেমি ফাইনেলত অসমে মণিপুৰক পৰাস্ত কৰে।

০০০০০

চিৰাং জিলাৰ বিজনী নগৰৰ ভেটাগাঁও নিবাসী অৱসৰপ্ৰাপ্ত শিক্ষক টোকেন্দ্ৰ চন্দ্ৰ ৰায়ৰ কালি বিয়লি নিজ বাসগৃহত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৯ বছৰ। অঞ্চলটোৰ সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰে জড়িত ৰায়ৰ মৃত্যুত বিজনীত শোকৰ ছাঁ পৰে।

০০০০০

নিৰ্বাচনী ৰণ ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে তুলিব প্ৰচাৰৰ ধুমুহা, আগ্নেয়গিৰি সদৃশ দেশৰ নিৰনুৱা পৰিস্থিতি, কংগ্ৰেছক এহেজাৰ ৮২৩ কোটিৰ জৰিমণা, অসম আজিও অশান্ত – আফস্পাৰ ম্যাদ বৃদ্ধি, এহেজাৰ ৮০০ কোটি টকাৰ জাননী আয়কৰৰ – কংগ্ৰেছত হাহাকাৰ, ২২৫ সাংসদৰ বিৰুদ্ধে ফৌজদাৰী গোচৰ, ১৭০০ কোটি কৰ বিচাৰি কংগ্ৰেছলৈ জাননী। ইত্যাদি শিৰোনামেৰে গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকতসমূহে মুখ্য বাতৰি প্ৰকাশ কৰিছে। দৈনিক অসম কাকতে অৰুণাচলত ড০ হিমন্ত বিশ্ব শৰ্মা আৰু সৰ্বানন্দ সোণোৱালে অৰুণাচলত প্ৰচাৰ চলোৱা এটা বাতৰিৰ লগতে মন্ত্ৰী অতুল বৰাই ১৪ খন আসনৰ আটাইকেইখনতে মিত্ৰজোঁটৰ প্ৰাৰ্থী জিকিব বুলি কৰা মন্তব্যক গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। লেকসভা নিৰ্বাচনক লৈ বিজেপিৰ কাৰ্যালয়ত মুখ্যমন্ত্ৰী শৰ্মাই ১১খন

আসনত নিশ্চিত জয়ৰ লগতে ৩খনত যুঁজ হোৱাৰ কথা স্পষ্ট কৰাৰ বাতৰিটো নিয়মীয়া বাতৰি কাকতে প্ৰকাশ কৰিছে। বিহাৰত ২৬খনত আৰ জে ডি আৰু ৯ খনত কংগ্ৰেছে যুঁজিব বুলি I.N.D.I.A ৰ মাজত আসনৰ বুজাবুজিৰ বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰকাশ কৰিছে। ক্ষমতালৈ আহিলে মহিলাৰ বাবে ৫০ শতাংশ আসন সংৰক্ষণ কৰিব বুলি ৰাহুল গান্ধীয়ে কৰা মন্তব্যৰ বাতৰিটোৰ লগতে তেল কোম্পানীৰ প্ৰতিশ্ৰুতি লাভ কৰি পেট্ৰেলিয়াম ডিলাসমূহৰ ধৰ্মঘট প্ৰত্যাহাৰ কৰা বাতৰিটো গুৰুত্বসহকাৰে দৈনিক অগ্ৰদূত কাকতে প্ৰকাশ কৰিছে। গুৱাহাটীত ১০ লাখ মহিলা ভোটাৰে গুৱাহাটী লোকসভা সমষ্টিৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰ আৰু বিজুলী কলিতা মেধীৰ ভাগ্য নিৰ্ধাৰণ কৰিব – আৰু সৰ্বানন্দ সোণোৱালৰ হৈ কণ্ঠশিল্পী জিতুল সোণোৱালে গান গাই প্ৰচাৰ চলোৱাৰ বাতৰিটো আমাৰ অসম কাকতে প্ৰকাশ কৰিছে। জুবিন নতিয়ালৰ সংগীতানুষ্ঠানৰ নামত প্ৰবঞ্চনা কৰি লাখ লাখ টকা সংগীত প্ৰেমীৰ পৰা লুটাৰ বাতৰিটো অসমীয়া খবৰ, দৈনিক জনমভূমি কাকতৰ লগতে অন্য কাকতেও প্ৰকাশ কৰিছে। কেজৰিৱালৰ গ্ৰেপ্তাৰক লৈ আমেৰিকাৰ পাছত ৰাষ্ট্ৰসংঘই মাত মতাৰ বাতৰিটোৰ লগতে কৃত্ৰিম বুদ্ধিমত্তা তথা ডীপফেক্‌কে ধৰি বিভিন্ন প্ৰসংগত বিল গেটছৰে প্ৰধানমন্ত্ৰী মোদীৰ বাৰ্তালাপৰ বাতৰি দ্যা ছেণ্টিনেল আৰু আসাম ট্ৰিবিউন কাকতে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

ooooo

**সমাপ্ত**